**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 06-04-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি তিনিদিনীয়া শ্ৰীলংকা ভ্ৰমণৰ সামৰণি মাৰে।

২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু পৰ্টুগাল আৰু শ্লোভাকিয়া ভ্ৰমণৰ উদ্দেশ্যে আজি ৰাওনা হ'ব।

৩। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আজি ৰাজস্থানলৈ যাব।

৪। দেশৰ বিভিন্ন অংশত আজি ধৰ্মীয় ৰীতি-নীতি আৰু উৎসাহ উদ্দীপনাৰে ৰাম নৱমী উদযাপন কৰা হৈছে।

আৰু

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজিৰ এখন খেলত গুজৰাট টাইটানছ্, ছানৰাইজাৰ্চ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি তিনিদিনীয়া শ্ৰীলংকা ভ্ৰমণৰ সামৰণি মাৰে। এই ভ্ৰমণৰ জৰিয়তে ভাৰত আৰু শ্ৰীলংকাৰ মাজত থকা দীৰ্ঘদিনীয়া সম্বন্ধৰ নতুন অধ্যায় মুকলি হ'ল বুলি প্ৰকাশ কৰা হৈছে। দেশখনৰ ঐতিহাসিক মহানগৰ অনুৰাধাপুৰাত প্ৰধানমন্ত্ৰী মোদী আৰু শ্ৰীলংকাৰ ৰাষ্ট্ৰপতি দিশানায়কেই যৌথভাৱে ভাৰতৰ সহযোগিতাত উন্নত কৰা মহো-ওমানথাই ৰে'লপথছোৱা মুকলি কৰে। মহো-অনুৰাধাপুৰা ৰে'লপথত দুয়োগৰাকী নেতাই নতুন সংকেত আৰু যোগাযোগ ব্যৱস্থা প্ৰকল্পও উদ্বোধন কৰে। এই ৰে'লপথছোৱা ভাৰতৰ ১ কোটি ৪৯ লাখ ডলাৰৰ সাহায্যৰে সুৰক্ষিত আৰু অধিক কৰ্মক্ষম কৰি তোলা হৈছে।

দুয়োগৰাকী নেতাই বৌদ্ধ ধৰ্মীসকলৰ তীৰ্থস্থান জয় শ্ৰী মহাবোধি মন্দিৰত প্ৰাৰ্থনা কৰে। ইয়াৰ জৰিয়তে দুয়োখন দেশৰ মাজত থকা গভীৰ আধ্যাত্মিক আৰু সভ্যতাজনিত সম্বন্ধ উদ্ভাসিত হয়। প্ৰধানমন্ত্ৰীয়ে ৰাষ্ট্ৰপতি দিশানায়কেৰ সৈতে বহুলভিত্তিক দ্বিপাক্ষিক আলোচনাত মিলিত হয়। আলোচনাৰ পাছতে তেওঁলোকে শক্তি, গৃহ নিৰ্মাণ, ডিজিটেল আন্তঃগাঁথনি আৰু সাংস্কৃতিক সহযোগিতাকে ধৰি বিভিন্ন খণ্ডত গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলাব পৰা যুটিয়া ঘোষণা কৰে।

ভাৰতৰ প্ৰধানমন্ত্ৰীৰ প্ৰতি থকা শুভ ইচ্ছাৰ প্ৰতীক হিচাপে ৰাষ্ট্ৰপতি দিশানায়কেই ভ্ৰমণৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক দেশখনৰ অন্যতম সৰ্বোচ্চ অসামৰিক সন্মান 'শ্ৰীলংকা মিত্ৰ বিভূষণ' প্ৰদান কৰে। দ্বীপ ৰাষ্ট্ৰখনত ২০২২ চনত হোৱা অৰ্থনৈতিক সংকটৰ সময়ত ভাৰতে আগবঢ়োৱা আন্তৰিক সমৰ্থনৰ কৃতজ্ঞতা স্বৰূপে শ্ৰী মোদীক এই সন্মান প্ৰদান কৰা হয়। প্ৰধানমন্ত্ৰী মোদীৰ শ্ৰীলংকা ভ্ৰমণ এন টি পি চি আৰু চেইলন ইলেক্ট্ৰিচিটি ব'ৰ্ডৰ যৌথ সহযোগিতাত নিৰ্মিত ছামপুৰ শক্তি প্ৰকল্পৰ ক্ষেত্ৰতো গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছে। শ্ৰী মোদীয়ে লগতে শ্ৰীলংকাৰ বিশেষ ডিজিটেল পৰিচয় প্ৰকল্পৰ ক্ষেত্ৰত ভাৰতৰ সমৰ্থনৰ কথা ব্যক্ত কৰে আৰু ঐক্যবদ্ধ শ্ৰীলংকাত তামিল সম্প্ৰদায়ৰ মৰ্যাদাপূৰ্ণ জীৱন যাপনৰ দাবী কৰে। তেওঁ দেশখনৰ তামিলনেতাসকলক সাক্ষাৎ কৰাৰ উপৰি প্ৰয়াত আৰ সামনাথন আৰু মাভাই ছেনাথিৰাজাৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। প্ৰধানমন্ত্ৰীয়ে কয়, যে দেশখনত ভাৰতৰ সাহায্যত চলি থকা ভাৰতীয় গৃহ প্ৰকল্পৰ অধীনৰ ১০ হাজাৰ ঘৰৰ নিৰ্মাণ অতি সোনকালেই সম্পূৰ্ণ কৰা হ'ব।

প্ৰধানমন্ত্ৰীৰ এই ভ্ৰমণ ভাৰতৰ চুবুৰীয়া প্ৰথম নীতিৰ প্ৰতিশ্ৰুতিবদ্ধতাক প্ৰতিফলিত কৰাৰ উপৰি মহাসাগৰ নীতিৰ জৰিয়তে সামুদ্ৰিক সহযোগিতা আৰু আঞ্চলিক সংহতি ৰক্ষাৰ ক্ষেত্ৰতো ভাৰতৰ দৃষ্টিভংগীক প্ৰতিফলিত কৰে।

000000000

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু পৰ্টুগাল আৰু শ্লোভাকিয়া ভ্ৰমণৰ উদ্দেশ্যে আজি ৰাওনা হ'ব। তেওঁ ১০ এপ্ৰিললৈকে দেশ দুখন ভ্ৰমণ কৰিব। এই চাৰিদিনীয়া ভ্ৰমণৰ প্ৰথম পৰ্যায়ত শ্ৰী মতী মুৰ্মুৱে পৰ্টুগালত দেশখনৰ ৰাষ্ট্ৰপতি মাৰ্ছেল' ৰেবেল' ডি ছুচাক সাক্ষাৎ

কৰিব আৰু প্ৰতিনিধি পৰ্যায়ৰ আলোচনাত মিলিত হ'ব। তেওঁ লগতে দেশখনৰ প্ৰধানমন্ত্ৰী লুইছ্‌ মণ্টেনেগ্ৰো আৰু সংসদ নেচনেল এছেম্বলিৰ অধ্যক্ষ জোছ্‌ পেড্ৰো অগুইৰ-ব্ৰেংকোক সাক্ষাৎ কৰিব।

ভ্ৰমণৰ দ্বিতীয় পৰ্যায়ত তেওঁ শ্লোভাকিয়ালৈ যাব। তাত তেওঁ দেশখনৰ ৰাষ্ট্ৰপতি পিটাৰ পেলেগ্ৰীনি আৰু প্ৰধানমন্ত্ৰী ৰবাৰ্ট ফিকোৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব। ভাৰতৰ কোনো এগৰাকী ৰাষ্ট্ৰপতিয়ে ২৭ বছৰৰ পাছত পৰ্টুগাল ভ্ৰমণ কৰিব। এইবছৰ ভাৰত আৰু পৰ্টুগালে কূটনৈতিক সম্পৰ্কৰ পুনৰ স্থাপনৰ ৫০ বছৰ উদযাপন কৰিছে। দুয়োখন দেশৰ মাজত ঐতিহাসিক আৰু বন্ধুত্বপূৰ্ণ দ্বিপাক্ষিক সম্পৰ্ক আছে। আনহাতে, যোৱা ২৯ বছৰৰ ভিতৰত ভাৰতৰ প্ৰথমগৰাকী ৰাষ্ট্ৰপতি হিচাপে শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে শ্ল'ভাকিয়া ভ্ৰমণ কৰিব। এই ভ্ৰমণে দুয়োখন দেশৰ মাজত দ্বিপাক্ষিক সম্পৰ্ক শক্তিশালী আৰু সম্প্ৰসাৰিত কৰিব বুলি আশা কৰা হৈছে। পৰ্টুগাল আৰু শ্ল'ভাকিয়া ভ্ৰমণৰ জৰিয়তে ইউৰোপীয় সংঘৰ সৈতে ভাৰতৰ সম্বন্ধ শক্তিশালী হ'ব বুলিও আশা কৰা হৈছে।

ooooooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আজি ৰাজস্থানলৈ যাব। এই ভ্ৰমণৰ সময়ত শ্ৰী শ্বাহে কটপুত্‌লি বাহাদুৰ জিলাত অৱস্থিত পাউটিত কেইবাটাও ধৰ্মীয় অনুষ্ঠানত অংশগ্ৰহণ কৰিব। তেওঁ বাৰদীৰ যোগী বাবা বলনাথৰ তপোস্থলীত আয়োজিত ১০৮ কুণ্ডিয়া ৰুদ্ৰ মহামৃত্যুঞ্জয় মহাযজ্ঞৰ সামৰণি অনুষ্ঠানত অংশ ল'ব। ইয়াৰ উপৰি তেওঁ সনাতন ধৰ্ম সন্মিলনত ভাষণ দিব। পৰম্পৰা আৰু আধ্যাত্মিকতাক উদযাপন কৰা এই মহান ধৰ্মীয় অনুষ্ঠানত ৰাজস্থানকে ধৰি বিভিন্ন ৰাজ্যৰ বিপুল সংখ্যক ভক্তই অংশগ্ৰহণ কৰাৰ সম্ভাৱনা আছে। এই কাৰ্যসূচীত ৰাজস্থানৰ মুখ্যমন্ত্ৰী ভজনলাল শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী ভূপেন্দ্ৰ য়াদৱ, জয়পুৰ গ্ৰাম্য সাংসদ ৰাজেন্দ্ৰকে ধৰি আন কেইবাগৰাকীও বিধায়ক উপস্থিত থাকিব।

ooooooooo

ভাৰতীয় জনতা পাৰ্টী- বিজেপিয়ে ৪৫ সংখ্যক প্ৰতিষ্ঠা দিৱস উদযাপন কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ লগতে দলৰ সভাপতি জগৎপ্ৰকাশ নাড্ডাই এই উপলক্ষে দলৰ সদস্যসকলক শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমযোগে শ্ৰী মোদীয়ে শুভেচ্ছা বাৰ্তাৰ লগতে দলৰ সদস্যসকলৰ বছৰজোৰা কঠোৰ পৰিশ্ৰম, সংগ্ৰাম তথা ত্যাগৰ বাবে ধন্যবাদ জনায়। তেওঁ কয়, যে এই বিশেষ দিনটোৰে বিকশিত ভাৰতৰ সপোন বাস্তৱায়িত কৰাৰ ক্ষেত্ৰত দলৰ প্ৰতিশ্ৰুতিবদ্ধতাক অধিক আগুৱাই নিব। শ্ৰী নাড্ডাইও দলীয় সদস্যসকলক ধন্যবাদ জনোৱাৰ লগতে দলৰ জ্যেষ্ঠ নেতাসকলৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰে।

ooooooooo

দেশৰ বিভিন্ন অংশত আজি ধৰ্মীয় ৰীতি-নীতি আৰু উৎসাহ উদ্দীপনাৰে ৰাম নৱমী উদযাপন কৰা হৈছে। এই উৎসৱ ভগৱান বিষ্ণুৰ সপ্তম অৱতাৰ শ্ৰী ৰামচন্দ্ৰৰ জন্মদিনৰ লগত সংগতি ৰাখি হিন্দু ধৰ্মাৱলম্বী লোকসকলে ৰাম নৱমী উদযাপন কৰি আহিছে। ৰাম নৱমীৰ পূৰ্বে ৯ দিন উপবাস ৰখা হয়। অযোধ্যাতো উলহ-মালহেৰে ৰাম নৱমী উদযাপন কৰা হৈছে। ৰাম জনমভূমি মন্দিৰত ৰাম নৱমী উপলক্ষে বিশেষ ধৰ্মীয় অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ৰাম নৱমী উপলক্ষে দেশবাসীক ওলগ জনাইছে। ৰাষ্ট্ৰপতিগৰাকীয়ে এটা বাৰ্তাযোগে কয়, যে ভগৱান ৰামৰ জীৱনে সত্য, ধৰ্ম আৰু ন্যায়ৰ পথ অনুসৰণ কৰাৰ অনুপ্ৰেৰণা দিয়ে। এই উৎসৱে নিষ্ঠা আৰু উৎসৰ্গাৰ মনোভাৱেৰে মানৱ জাতিৰ সেৱাৰ বাৰ্তা কঢ়িয়াই বুলিও ৰাষ্ট্ৰপতি মুৰ্মুৱে প্ৰকাশ কৰে। তেওঁ কয়, যে এই উৎসৱে জনসাধাৰণক ত্যাগ আৰু নিস্বাৰ্থ প্ৰেমৰ প্ৰমূল্যৰাজি আকোৱালি ল'বলৈ উৎসাহিত কৰে।

ooooooooo

নতুন দিল্লীত কালি সমাপ্ত হোৱা ষ্টাৰ্টআপ মহাকুম্ভ, ২০২৫ত যুৱ উদ্যোগীসকলৰ উল্লেখযোগ্য অংশগ্ৰহণ পৰিলক্ষিত হয়। এই অনুষ্ঠানত দেশৰ উদ্যোগিক পৰিৱেশতন্ত্ৰৰ ক্ৰমবৰ্ধমান শক্তিৰ ওপৰত আলোকপাত কৰা হয়। বাণিজ্য আৰু উদ্যোগ মন্ত্ৰালয়ে এটা বিবৃতিত কয়, যে ষ্টাৰ্টআপ মহাকুম্ভৰ মূল অংশগ্ৰহণকাৰী চৰকাৰী ই-মাৰ্কেটপ্লেচ জেমে ষ্টাৰ্টআপ বৃদ্ধিত সহায় কৰাত নিজৰ ভূমিক প্ৰদৰ্শন কৰিছিল।

তিনিদিনীয়া এই অনুষ্ঠানত ভাৰতৰ শক্তিক উদযাপন কৰা ডিপ্‌টেক্‌, এগ্রিটেক্‌, বায়'টেক, মেডটেক, কৃত্রিম বুদ্ধিমত্তা, গেমিং আৰু বিভিন্ন খণ্ডভিত্তিক মণ্ডপসমূহে অংশগ্রহণ কৰে। এই অনুষ্ঠানৰ সময়ত জেমে দুহেজাৰ ৫০০ৰো অধিক ষ্টাৰ্টআপ প্রশ্নৰ উত্তৰ দিয়াৰ লগতে এহেজাৰতকৈ অধিক ষ্টাৰ্টআপ পঞ্জীয়ন আৰু কেটেলগিঙৰ সুবিধা প্রদান কৰিছিল আৰু জেমৰ শিক্ষণ ব্যৱস্থাপনা – এল এম এছ্‌ৰ জৰিয়তে অনব'ৰ্ডিং আৰু দক্ষতাক কেন্দ্র কৰি এহেজাৰ ৫০০ তকৈও অধিক মত বিনিময় অনুষ্ঠানৰ আয়োজন কৰিছিল।

০০০০০০০০০

আই পি এল ক্রিকেট প্রতিযোগিতাত আজি হায়দৰাবাদত হ'বলগীয়া এখন খেলত গুজৰাট টাইটানছ্‌, ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব। গুজৰাটে বৰ্তমানলৈকে খেলা তিনিখন খেলৰ দুখনত জয়লাভ কৰি প্রতিযোগিতাৰ পইণ্ট তালিকাৰ তৃতীয় স্থানত আছে। হায়দৰাবাদে ৪ খন খেলৰ ভিতৰত এখন খেলত জয়লাভ কৰি পইণ্ট তালিকাৰ একেবাৰে শেষত আছে।

ৰাজস্থান ৰয়েলছে যোৱা নিশা চণ্ডিগড়ত অনুষ্ঠিত এখন খেলত পাঞ্জাব কিংছক ৫০ ৰানত পৰাস্ত কৰে। খেলখনত ৰাজস্থান ৰয়েলছে প্রথমে বেট ধৰি নিৰ্ধাৰিত ২০ অ'ভাৰত ৪টা উইকেট হেৰুৱাই ২০৫ ৰাণ কৰে। ৰাজস্থানৰ হৈ যশস্বী জয়ছোৱালে ৬৭ ৰাণৰ বৰঙণি আগবঢ়ায় আৰু ৰিয়ান পৰাগে ৪৩ ৰান কৰি আউট নোহোৱাকৈ থাকে। পাঞ্জাবৰ লাকী ফাৰ্গুছনে ২টা উইকেট দখল কৰে। প্রত্যুত্তৰত পাঞ্জাব কিংছে ২০ অভাৰত ৯ টা উইকেট হেৰুৱাই ১৫৫ ৰানহে কৰিবলৈ সমৰ্থ হয়। পাঞ্জাব কিংছৰ হৈ নেহল ৱাধেৰাই ৬২ ৰান কৰে। ৰাজস্থানৰ হৈ জোফ্‌ৰা আৰ্চাৰে ৩টা উইকেট লাভ কৰে। আৰ্চাৰক প্লেয়াৰ অব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়।

চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত কালি অনুষ্ঠিত আন এখন খেলত দেলহী কেপিটেলছে-চেন্নাই চুপাৰ কিংছক ২৫ ৰাণত পৰাস্ত কৰে। চেন্নাই চুপাৰ কিংছে ১৮৪ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ২০ অ'ভাৰত ৫ উইকেটৰ বিনিময়ত ১৫৮ ৰানহে কৰিবলৈ সমৰ্থ হয়। ইয়াৰ আগেয়ে দেলহী কেপিটেলছে টছত জিকি প্রথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অ'ভাৰত ৬ টা উইকেট হেৰুৱাই ১৮৩ ৰান সংগ্রহ কৰে।

০০০০০

সমাপ্ত